NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

০০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মহাৰাষ্ট্ৰৰ ৭ হাজাৰ ৬০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বেংকসমূহৰ স্থিতিয়ে অৰ্থব্যৱস্থা আৰু পৰিয়ালসমূহৰ বিত্তীয় সুস্থিৰতাৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়।

৩। ভাৰত ট্ৰেক'মাক জনস্বাস্থ্য সমস্যা হিচাপে নিৰ্মূল কৰাত সফল হৈছে বুলি বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰিছে।

৪। ভাৰত আজি কাজাখস্তানত অনুষ্ঠিত এছীয় টেবুল টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ দলীয় শিতানৰ ছেমি ফাইনেলত জাপানৰ সন্মুখীন হ'ব। ***আৰু***

৫। ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মহাৰাষ্ট্ৰৰ ৭ হাজাৰ ৬০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত নাগপুৰৰ ড০ বাবা চাহেব আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ উন্নয়ন আৰু চিৰদি বিমান বন্দৰৰ নতুন সংহত আগমন প্ৰস্থান ভৱন অন্যতম।

প্ৰধানমন্ত্ৰীয়ে সকলোৰে বাবে বহনসাধ্য আৰু সুলভ স্বাস্থ্য সেৱাৰ প্ৰসাৰৰ উদ্দেশ্যে মুম্বাই, নাছিক, জাল্না, অমৰাৱতি, গড়চিৰৌলী, বুলধানা, ৱাছিম, ভাণ্ডাৰা, হিংগোলী আৰু থানে জিলাৰ অম্বৰনাথত চৰকাৰী চিকিৎসা মহাবিদ্যালয় উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে  লগতে উদ্যোগ ক্ষেত্ৰৰ বাবে সদাপ্ৰস্তুত কৰ্মবাহিনী গঢ়ি তোলাৰ উদ্দেশ্যে ভাৰতীয় দক্ষতা প্ৰতিষ্ঠানৰ আই আই এছ মুম্বাইও মুকলি কৰিব। ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ আৰ্হিত টাটা শিক্ষা আৰু উন্নয়ন ন্যাসৰ সহযোগত নিৰ্মাণ কৰা এই প্ৰতিষ্ঠানৰ জৰিয়তে মেকাট্ৰনিক্স, কৃত্ৰিম বুদ্ধিমত্তা, তথ্য বিশ্লেষণ, ঔদ্যোগিক স্বচালন আৰু ৰবটিক্সৰ দৰে বিশেষ এলেকাসমূহত প্ৰশিক্ষণ প্ৰদানৰ পৰিকল্পনা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে বিদ্যা সমীক্ষা কেন্দ্ৰ উদ্বোধন কৰিব। এই কেন্দ্ৰসমূহৰ জৰিয়তে বিদ্যাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু প্ৰশাসকসকলৰ বাবে স্মাৰ্ট উপস্থিতি আৰু স্বধ্যায়ৰ লেখিয়া লাইফ চাফ ব'টৰ মাধ্যমেৰে গুৰুত্বপূৰ্ণ শৈক্ষিক তথা প্ৰশাসনিক তথ্য সুলভ কৰি তোলা হ'ব।

০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে বেংকসমূহৰ স্থিতিয়ে অৰ্থব্যৱস্থা আৰু পৰিয়ালসমূহৰ বিত্তীয় সুস্থিৰতাৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। মুম্বাইত কালি এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে বেংকসমূহে বিপদৰ আশংকা কম কৰি মুনাফা আদায় কৰাৰ বাবে ঋণ প্ৰদানৰ ক্ষেত্ৰত বিচক্ষণতা প্ৰদৰ্শন কৰা উচিত। তেওঁ লগতে অত্যাধিক ঋণৰ ফলত সম্পত্তিৰ গুণগত মানৰ ওপৰত হেঁচাৰ সৃষ্টি হ'ব পাৰে আৰু কম ঋণৰ ফলত লাভালাভ আৰু আৰ্থিক বিকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হ'ব পাৰে বুলি সকিয়াই দিয়ে। মন্ত্ৰীগৰাকীয়ে বেংকসমূহক চাইবাৰ ভাবুকি প্ৰতিহত কৰাৰ বাবে প্ৰয়োজনীয় অত্যাধুনিক প্ৰযুক্তি আকোঁৱালি ল'বলৈ আৰু চাইবাৰ সুৰক্ষা বৃত্তিধাৰীৰ নামত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

বিশ্বমানৰ প্ৰদৰ্শন আৰু বৰ্দ্ধিত স্বচ্ছতাৰ বাবে বিত্ত খণ্ডৰ নিয়ন্ত্ৰক প্ৰতিষ্ঠানসমূহক প্ৰশংসা কৰি বিত্ত মন্ত্ৰীগৰাকীয়ে ইতিবাচক সমালোচনাৰ আৱশ্যকতা স্বীকাৰ কৰে। তেওঁ লগতে যোগ্য যুৱক-যুৱতীসকলক ইণ্টাৰ্ণশ্বিপ প্ৰদান কৰি প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিত অংশগ্ৰহণ কৰিবলৈ বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহৰ প্ৰতি আহ্বান জনায়।

০০০

চলিত বৰ্ষত ভাৰতে চকুৰ ৰোগ ট্ৰেক'মাক জনস্বাস্থ্যৰ সমস্যা হিচাপে নিৰ্মূল কৰাৰ কথা বিশ্ব স্বাস্থ্য সংস্থা চমুকৈ WHO এ ঘোষণা কৰিছে। ইয়াৰ লগে লগে ভাৰত দক্ষিণ-পূব এছিয়াৰ দেশ সমূহৰ ভিতৰত এই সফলতা লাভ কৰা তৃতীয়খন দেশ হিচাপে পৰিগণিত হৈছে। কালি নতুন দিল্লীত অনুষ্ঠিত হোৱা বিশ্ব স্বাস্থ্য সংস্থাৰ আঞ্চলিক সমিতিৰ বৈঠকত ভাৰতক এই সফলতাৰ বাবে আনুষ্ঠানিকভাৱে প্ৰমাণপত্ৰ প্ৰদান কৰে।

উল্লেখ্য, ট্ৰেক'মা হৈছে বেক্টেৰিয়াৰ দ্বাৰা সংক্ৰমণ হোৱা এবিধ ৰোগ যি প্ৰথমে চকুত সংক্ৰমিত হয় আৰু পৰৱৰ্তী সময়ত আক্ৰান্ত লোকৰ চকু, চকুৰ পতা, নাক বা ডিঙিলৈ এই ৰোগ বিয়পে।

১৯৫০-৬০ চনৰ সময়ছোৱাত ট্ৰেক'মা দেশত অন্ধতাৰ প্ৰধান কাৰণসমূহৰ ভিতৰত অন্যতম আছিল। এই এই পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ভাৰত চৰকাৰে ১৯৬৩ চনত ৰাষ্ট্ৰীয় ট্ৰেক'মা নিয়ন্ত্ৰণ কাৰ্যসূচী আৰম্ভ কৰিছিল।

০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আয়ে শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে এখন জলপানি আঁচনি ঘোষণা কৰিছে। এই আঁচনিৰ অধীনত বিশ্ববিদ্যালয় অনুদান আয়োগ অথবা সৰ্ব ভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ এ আই চি টি ইৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয় অথবা মহাবিদ্যালয়ত অৰ্থনীতি অথবা বিত্ত বিষয়ত পাঠদান কৰা পূৰ্ণকালীন শিক্ষক-শিক্ষয়িত্ৰীসকলে হ্ৰস্বকালীন গৱেষণাৰ বাবে আবেদন কৰিব পাৰিব। এই আঁচনিত মুদ্ৰা আৰু বিত্তীয় অৰ্থনীতি, বেংকিং, বাস্তৱিক ক্ষেত্ৰৰ বিষয় আৰু আৰ বি আইৰ স্বাৰ্থজড়িত অন্য বিষয়সমূহ সামৰি লোৱা হ'ব।

০০০

পশ্চিম এছিয়াত সন্ত্ৰাসবাদী সংগঠন হিজবুল্লাহৰ আক্ৰমণ অধিক তীব্ৰতৰ হৈ পৰিছে। ইজৰাইলৰ হাইফা চহৰত সংগঠনটোৱে এই পৰ্যন্ত সৰ্বাধিক ৰকেট আক্ৰমণ সংঘটিত কৰিছে।

সন্ত্ৰাসবাদী সংগঠনটোৰ নেতৃত্বই ইজৰাইলৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰাখিব বুলি ঘোষণা কৰিছে। ইয়াৰ প্ৰত্যুত্তৰত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৱে কয় যে ইজৰাইলৰ সেনাই হিজবুল্লাহৰ প্ৰাক্তন নেতা হাছান নাছৰল্লাহৰ সম্ভাব্য উত্তৰাধিকাৰীসকলক ইতিমধ্যে নিৰ্মূল কৰিছে। ইফালে, ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে অঞ্চলটোৰ শেহতীয়া পৰিস্থিতিক লৈ উদ্বিগ্নতা প্ৰকাশ কৰিছে। আমাৰ পশ্চিম এছিয়াৰ সংবাদদাতাই জনোৱা মতে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান গৰাকীয়ে শেহতীয়া পৰিস্থিতিলৈ লক্ষ্য কৰি গাজা আৰু লেবাননক তাৎক্ষণিক যুদ্ধবিৰতিৰ আহ্বান জনাইছে। গুটেৰেছে সকীয়াই দিয়ে যে এই শত্ৰুতা বন্ধ নকৰিলে অঞ্চলটোত যুদ্ধই ভয়ংকৰ ৰূপ গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি সচিব প্ৰধানগৰাকীয়ে বৰ্তমান ইজৰাইলে সংসদত উত্থাপন কৰিবলগীয়া দুখন বিধেয়কক লৈও গভীৰ উদ্বেগ প্ৰকাশ কৰিছে । এই বিধেয়ক দুখনে ৰাষ্ট্ৰসংঘই পেলেষ্টাইনী শৰণাৰ্থীসকলৰ বাবে কৰি অহা সাহায্য আৰু কৰ্মত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে। বিশেষকৈ গাজাত সংঘাতৰ যোৱা এটা বছৰত পেলেষ্টাইনীসকলক অত্যাৱশ্যকীয় সাহায্য প্ৰদানৰ ক্ষেত্ৰত ইজৰাইলৰ জটিল ভূমিকাত গুটেৰেছে গুৰুত্ব আৰোপ কৰে। তেওঁ ব্যক্তিগতভাৱে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুলৈ পত্ৰ লিখি প্ৰস্তাৱিত আইনখনৰ সন্দৰ্ভত নিজৰ আশংকা প্ৰকাশ কৰে।

শেহতীয়াকৈ এই সংঘাত লেবানন আৰু ইজৰাইলৰ বাহিৰলৈ বিয়পি পৰাৰ খবৰ আহিছে। ইজৰাইলে ছিৰিয়াৰ পৰা ডামাস্কাছৰ এটা আৱাসিক অট্টালিকাত আক্ৰমণ চলোৱাৰ বাতৰি পোৱা গৈছে। ছিৰিয়াৰ চৰকাৰী সংবাদ মাধ্যমৰ মতে, এই আক্ৰমণৰ ফলত সাধাৰণ লোক আহত হৈছে যদিও ক্ষয় ক্ষতিৰ সবিশেষ এতিয়াও স্পষ্ট হোৱা নাই।০০০

নিৰ্বাচন আয়োগে ইয়াৰ ৱেবছাইটত কালি হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ফলাফল আপলোড কৰাত অত্যাধিক দেৰি হোৱা বুলি কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কৰা দাবী প্ৰত্যাখান কৰিছে। এই দাবী ভিত্তিহীন বুলি অভিহিত কৰি আয়োগে কৈছে যে বিধানসভা নিৰ্বাচনৰ ২৫টা ৰাউণ্ডৰ আটাইকেইটাৰে তথ্য প্ৰতি ৫ মিনিটৰ মূৰে মূৰে আপডেট কৰা হৈছিল। ইয়াৰ পৰা ভোটগণনা ক্ষিপ্ৰতাৰে সম্পন্ন হোৱা তথা এক তথ্য প্ৰচাৰৰ কথা স্পষ্ট হৈ পৰিছে বুলি আয়োগে প্ৰকাশ কৰিছে। আয়োগে লগতে ফলাফল আপডেটৰ গতি মন্থৰ হোৱাৰ অভিযোগ সাব্যস্ত কৰিব পৰাকৈ কোনো প্ৰমাণ নাই বুলি স্পষ্ট কৰি দিছে।

০০০

ভাৰত আজি কাজাখস্তানত অনুষ্ঠিত এছীয় টেবুল টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ দলীয় শিতানৰ ছেমি ফাইনেলত জাপানৰ সন্মুখীন হ'ব। ভাৰতে কালি কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাক ৩-২ৰ ফলাফলত পৰাস্ত কৰি ইতিহাস ৰচনা কৰে। ভাৰত আজিৰ খেলখনত পৰাজিত হ'লেও কমেও ব্ৰঞ্জৰ পদক লাভ কৰিব আৰু এয়া হ'ব প্ৰতিযোগিতাৰ ইতিহাসত ভাৰতৰ প্ৰথমটো পদক। ইপিনে, ভাৰতীয় পুৰুষ দল আজি কোৱাৰ্টাৰ ফাইনেলত কাজাখস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্যকুমাৰ যাদৱ

নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাৰ ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰিছিল।

০০০

ভাৰত আজি ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ তৃতীয়খন খেলত শ্ৰীলংকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। একেটা স্থানত হ'বলগীয়া প্ৰতিযোগিতাৰ আন এখন খেলত স্কটলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱাবাৰৰ চেম্পিয়ন অষ্ট্ৰেলিয়াই কালি শ্বাৰজাহত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত নিউজিলেণ্ডক ৬০ ৰাণত পৰাস্ত কৰে। নিউজিলেণ্ডে ১৪৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ মেগন স্কট আৰু অনাবেল চুৰ্দলেণ্ডে তিনিটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াৰ টছত জিকি প্ৰথমে বেট ধৰিবলৈ লৈ নিৰ্ধাৰিত ২০ অভাৰত আঠটা উইকেট হেৰুৱাই ১৪৮ ৰাণ সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ বেথ মুনিয়ে ৩২টা বলত ৪০ ৰাণ কৰে। নিউজিলেণ্ডৰ অমেলিয়া কেৰে চাৰিটা উইকেট লাভ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ